

## গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগ

# গেন্দেৰাত কাঠফুলা খেতিৰ দুদিনীয়া কৰ্মশালা

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১ ফেব্ৰুৱাৰী : গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত যোৱা ২৭ আৰু ২৮ জানুৱাৰীত দত্তক লোৱা গাঁও গেন্দেৰাত কাঠফুল খেতিৰ কৰ্মশালা অনুষ্ঠিত হৈ যায়। উৰপদ বিলৰ মনোৰম পৰিবেশত অনুষ্ঠিত দুদিনীয়া কৰ্মশালাৰ উদ্দেশ্য আছিল কাঠফুলা খেতিৰ লাভালাভৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু গাঁওসমূহত বাস কৰা জনজাতীয় সম্প্ৰদায়ক শক্তিশালী কৰা। ২৭ জানুৱাৰীত উক্ত কৰ্মশালাৰ শুভাৰম্ভ কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপক ড° হেমেন্ত কলিতা আৰু ভূগোল বিভাগৰ সহকাৰী অধ্যাপক ৰশ্মি হাজৰিকা উপস্থিত থাকে। অনুষ্ঠানটোত গাঁওখনৰ প্ৰায় ত্ৰিশগৰাকী মহিলাই অংশগ্ৰহণ কৰে। কৰ্মশালাৰ জৰিয়তে সমল ব্যক্তিসকলে হাতে কামে মহিলাসকলক প্ৰশিক্ষণ প্ৰদান কৰিছিল। উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত আছিল ড° ধৰ্মেশ্বৰ বৰ্মন, ড° দুলাল বৰুৱা আৰু কবিতা বসুমতাৰীৰ লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপকসকল। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীয়ে ভাষণ প্ৰসংগত বহনক্ষম কৃষি পদ্ধতিৰ গুৰুত্ব আৰু জনজাতীয় সম্প্ৰদায়ৰ জীৱিকাৰ ওপৰত কাঠফুলাৰ খেতিৰ ইতিবাচক প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ কয় 'কাঠফুলাৰ খেতিয়ে কেৱল পুষ্টিৰ উৎস প্ৰদান নকৰে, লগতে অৰ্থনৈতিক বিকাশৰ সুযোগো প্ৰদান কৰে। এনে সম্প্ৰসাৰণ কাৰ্যকলাপৰ জৰিয়তে, আমি এক বহনক্ষম ভৱিষ্যতৰ বাবে জ্ঞান আৰু দক্ষতাৰে সম্প্ৰদায়বোৰক শক্তিশালী কৰাৰ লক্ষ্য ৰাখিছো।' এই দুদিনীয়া কৰ্মশালাত কাঠফুলা খেতিৰ বিভিন্ন দিশ সামৰি লোৱা হৈছিল, যাৰ ভিতৰত আছে ছাবষ্ট্ৰেট আৰু চিলিণ্ডাৰ প্ৰস্তুত কৰা। অংশগ্ৰহণকাৰীৰ মহিলাসকল সক্ৰিয়ভাৱে ব্যৱহাৰিক কাৰ্যত নিয়োজিত আছিল আৰু তেওঁলোকৰ স্থানীয় কৃষি পদ্ধতিত এই কৌশলবোৰ গ্ৰহণ কৰিবলৈ তেওঁলোকে উৎসাহ প্ৰদৰ্শন কৰিছিল। গোৱালপাৰা মহাবিদ্যালয়ৰ দৰ্শনৰ সহযোগী অধ্যাপক ড° হেমন্ত কলিতাই এনে পদক্ষেপসমূহৰ বিস্তৃত প্ৰভাৱৰ ওপৰত আলোকপাত কৰি কয়, যিকোনো সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশৰ বাবে দক্ষতা বিকাশৰ জৰিয়তে মহিলাসকলক সবলীকৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ। এই কৰ্মশালাই কেৱল ব্যৱহাৰিক জ্ঞান প্ৰদান কৰাই নহয়, অংশগ্ৰহণকাৰীসকলৰ মাজত আত্মনিৰ্ভৰশীলতাৰ অনুভূতিও বৃদ্ধি কৰে।